**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি আজি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱাৰে পৰা স্মৃতিচাৰণ সভা, সৰ্বধৰ্ম প্ৰাৰ্থনা, গীত-নৃত্যৰ অনুষ্ঠান আদি অনুষ্ঠিত হৈছে। পুৱাৰ বেলা বিত্ত, মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে আয়োজিত অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু প্ৰাক্তন সাংসদ কুইন ওজা উপস্থিত থাকে। সভাত বিশিষ্ট লেখক, সাংবাদিক বিদ্যুৎ কুমাৰ ভূঞাই শিল্পীগৰাকীৰ জীৱন আৰু কৰ্মৰ বিষয়ে বক্তৃব্য আগবঢ়ায়। ইপিনে দীঘলীপুখুৰীৰ পাৰত থকা শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিস্থলীতো সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ ব্যৱস্থা কৰিছে।

**তেজপুৰ**ত অনুষ্ঠিত ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকীৰ অনুষ্ঠানত বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু জিলা আয়ুক্তকে ধৰি বহুকেইজন শিল্পী-সাহিত্যিকে অংশগ্ৰহণ কৰে। **কোকৰাঝাৰ**ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে শিল্পীগৰাকীৰ এটা পূৰ্ণাৱয়ব মূৰ্তি উন্মোচন কৰে। অনুষ্ঠানত শ্ৰী বড়োৰ লগত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়া, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী আৰু বিধায়ক লৰেন্স ইছলাৰীও উপস্থিত থাকে। **গোলাঘাট**ত স্মৃতি দিৱস উদযাপনৰ অনুষ্ঠানত জিলা ছাত্ৰ সন্থা আৰু ড০ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীক ড০ ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান কৰা হয়। তদুপৰি চিৰাং, তিনিচুকীয়া, মঙলদৈ আদি জিলাতো বিশ্ব বৰেণ্য শিল্পীগৰাকীক সুঁৱৰি আজি সাংস্কৃতিক অনুষ্ঠান, বন্তি প্ৰজ্বলন আদি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰাৰ বাতৰি আমালৈ আহি আহিছে।

০০০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত আছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি ধলাই বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ নিৰ্বাচনী সভাত অংশ লয়। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে প্ৰাৰ্থীগৰাকীৰ হৈ পালাংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাতো ভাষণ দিয়ে।

০০০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি নগাঁও জিলাত উপস্থিত হৈ চামগুৰি বিধানসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্বাচনৰ বাবে গঠিত বিভিন্ন কোষৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত তেওঁ বিষয়াসকলক নিষ্ঠাসহকাৰে নিজৰ দায়িত্ব সম্পাদন কৰিবলৈ আহ্বান জনায়। নিৰ্বাচনী বিষয়াগৰাকীয়ে সভাত ই ভি এম কমিছনিং কৰাৰ লগতে ষ্ট্ৰং ৰুমো পৰিদৰ্শন কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰিছে।

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাৰ অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

ষট পূজা উপলক্ষে **বৰপেটা** জিলাত প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। পূজা উদযাপনৰ স্থানসমূহত নিৰাপত্তা বৃদ্ধিৰ ব্যৱস্থা কৰাৰ লগতে অতিৰিক্ত সুৰক্ষাবাহিনী মোতায়েনৰো ব্যৱস্থা কৰিছে। **দৰং** জিলাতো ষট পূজা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

চৰাইদেউ মৈদামস্থলীত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে ভাৰতীয় পুৰাতত্ব জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান ড০ কে চি নৌৰীয়াললৈ টাই আহোম যুৱ পৰিষদে ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটা আগবঢ়াইছে। আজি দিছপুৰ প্ৰেছক্লাবত আয়োজিত এখন সংবাদমেলত পৰিষদৰ নেতৃবৃন্দই এই কথা ঘোষণা কৰি কয় যে, চৰাইদেউ মৈদামস্থলীত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰা সমগ্ৰ প্ৰক্ৰিয়াত তত্বাৱধায়ক হিচাপে হাতপুথি প্ৰস্তুত কৰাকে ধৰি যাৱতীয় নীতি আৰু পৰিকল্পনা প্ৰস্তুত কৰি বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰাৰ বাবে ড০ কে চি নৌৰিয়ালক ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অহা ২৪ নৱেম্বৰত গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া মহাবীৰ লাচিত দিৱস অনুষ্ঠানত ড০ নৌৰিয়ালক এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত আছে- এখন হেংদাং, এযোৰ টাই আহোমৰ পৰম্পৰাগত সাজ-পোছাক, প্ৰশস্তিপত্ৰ, স্মাৰক আদি। ইপিনে, পৰিষদে মহাবীৰ লাচিত দিৱস আৰু বঁটা প্ৰদান অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে পাঁচখন উপ-সমিতিসহ ১২৫ জনীয়া এখন শক্তিশালী উদযাপন সমিতি গঠন কৰে।

০০০০০০০

**সমাপ্ত**